**Signature and Name of Invigilator**

1. (Signature) ______________________

   (Name) ______________________

2. (Signature) ______________________

   (Name) ______________________

**Answer Sheet No. :** ...............................................

(To be filled by the Candidate)

**Roll No.** | | | | | | | |

(In figures as per admission card)

**Roll No.** ______________________

(In words)

**Test Booklet No.**

**J—3606**

**PAPER—II**

# ASSAMESE

**Time : 1¼ hours]** **[Maximum Marks : 100**

Number of Pages in this Booklet : **16** Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the question booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the Serial No. of the booklet should be entered in the Answer-sheets and the Serial No. of Answer Sheet should be entered on this Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the oval as indicated below on the correct response against each item.

   **Example :** (A) (B) ● (D)

   where (C) is the correct response.
5. Your responses to the items are to be indicated in the Answer Sheet given **inside the Paper I booklet only**. If you mark at any place other than in the ovals in the Answer Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your name or put any mark on any part of the test booklet, except for the space allotted for the relevant entries, which may disclose your identity, you will render yourself liable to disqualification.
9. You have to return the test question booklet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is NO negative marking.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी। पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें। खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं। दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें। इसके लिए आपको पाँच मिनट दिये जायेंगे। उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा।**
   (iii) इस जाँच के बाद प्रश्न-पुस्तिका की क्रम संख्या उत्तर-पत्रक पर अंकित करें और उत्तर-पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं। आपको सही उत्तर के दीर्घवृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है।

   **उदाहरण :** (A) (B) ● (D)

   जबकि (C) सही उत्तर है।
5. प्रश्नों के उत्तर **केवल प्रश्न पत्र I के अन्दर दिये गये** उत्तर-पत्रक पर ही अंकित करने हैं। यदि आप उत्तर पत्रक पर दिये गये दीर्घवृत्त के अलावा किसी अन्य स्थान पर उत्तर चिन्हांकित करते है, तो उसका मूल्यांकन नहीं होगा।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें।
8. यदि आप उत्तर-पुस्तिका पर अपना नाम या ऐसा कोई भी निशान जिससे आपकी पहचान हो सके, किसी भी भाग पर दर्शाते या अंकित करते हैं तो परीक्षा के लिये अयोग्य घोषित कर दिये जायेंगे।
9. आपको परीक्षा समाप्त होने पर उत्तर-पुस्तिका निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद अपने साथ परीक्षा भवन से बाहर न लेकर जायें।
10. **केवल नीले/काले बाल प्वाईंट पैन का ही इस्तेमाल करें।**
11. **किसी भी प्रकार का संगणक ( कैलकुलेटर ) या लाग टेबल आदि का प्रयोग वर्जित है।**
12. **गलत उत्तर के लिए अंक नहीं काटे जायेंगे।**

# ASSAMESE

# অসমীয়া

## PAPER – II

## প্ৰশ্নকাকত – II

**Note :** This paper contains **fifty** (50) objective-type questions, each question carrying **two** (2) marks. Attempt **all** of them.

**টোকা ঃ এই প্ৰশ্ন-কাকতত বহু-বিকল্পীয় ৫০ (পঞ্চাছ)টা প্ৰশ্ন আছে। প্ৰতিটো প্ৰশ্নৰ মূল্যাংক ২ (দুই)। সকলো প্ৰশ্নৰ উত্তৰ কৰিবা।**

**1.** মধ্যযুগীয় অসমীয়া লিপি

(A) দুই প্ৰকাৰৰ
(B) তিনি প্ৰকাৰৰ
(C) চাৰি প্ৰকাৰৰ
(D) পাঁচ প্ৰকাৰৰ

**2.** চৰ্য্যাপদসমূহ সংগৃহীত পুথিখনৰ নাম

(A) 'চৰ্য্যাচৰ্য্য- বিনিশ্চয়'
(B) 'চৰ্য্যাগীতিকোষ'
(C) 'চৰ্য্যাপদ'
(D) 'দোহাকোষ'

**3.** হেমচন্দ্ৰ বৰুৱা প্ৰনীত ব্যকৰণখনৰ নাম

(A) 'অসমীয়া ভাষাৰ ব্যাকৰন'
(B) 'অসমীয়া ব্যাকৰন'
(C) 'সহজ অসমীয়া ব্যাকৰন'
(D) 'অসমীয়া ব্যাকৰন আৰু ভাষাতত্ত্ব'

**4.** 'Grammatical Notices of the Assamese Language'- পুথিখনৰ ৰচয়িতা

(A) ডক্টৰ নাথান ব্ৰাউন
(B) ডক্টৰ মাইলছ ব্ৰন্সন
(C) আনন্দৰাম ঢেকিয়াল ফুকন
D) ডক্টৰ বানীকান্ত কাকতি

**5.** আনন্দৰাম ঢেকিয়াল ফুকন (জন্ম **১৮২৯**)ৰ মৃত্যু চন

(A) 1849
(B) 1859
(C) 1869
(D) 1879

6. শ্ৰীমতী এচ্ আৰ্ ৱাৰ্ডৰদ্বাৰা ৰচিত পুথিখনৰ নাম

(A) ‘পদাৰ্থ সাৰ’ (1855)

(B) ‘কামিনী কান্তৰ চৰিত্ৰ’ (1877)

(C) ৰুথ আৰু জোচেফৰ কাহিনী’ (1881)

(D) ‘ইংৰাজী অসমীয়া শব্দকোষ’ (1864)

7. ‘আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ’ পুথিখনৰ লেখক

(A) এ, কে, গাৰ্নি

(B) হেমচন্দ্ৰ বৰুৱা

(C) গুণাভিৰাম বৰুৱা

(D) নিধিৰাম ফাৰৱেল

8. ‘অসমীয়া সাহিত্য চ’ৰা’ (Assamese Literary Society) স্থাপন হৈছিল।

(A) 1869

(B) 1870

(C) 1872

(D) 1875

9. ‘শ্ৰীকৃষ্ণ’ গ্ৰন্থখনৰ লেখকৰ নাম

(A) লক্ষীনাথ বেজবৰুৱা

(B) পদ্মনাথ গোহাঞি বৰুৱা

(C) হেমচন্দ্ৰ গোস্বামী

(D) চন্দ্ৰকুমাৰ আগৰৱালা

10. ৰত্নকান্ত বৰকাকতিৰ এখন কাব্যগ্ৰন্থৰ নাম

(A) ‘মানসী’

(B) ‘কদম কলি’

(C) ‘পৰশমনি’

(D) ‘চন্দ্ৰহাৰ’

তলৰ 11 ৰ পৰা 15 লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ উত্তৰ A, B, C, D এই চাৰিটা বিকল্প দিয়া হৈছে। উত্তৰ-পত্ৰত এই চাৰিটা বিকল্পৰ মাজৰ পৰা শুদ্ধটো বাছি চিহ্নিত কৰা।

**11.** তলত নাম দিয়া সকলৰ ভিতৰত 'বাঁহী' সম্পাদনাৰ সৈতে জড়িত কেইজন ঃ

(i) লক্ষ্মীনাথ বেজবৰুৱা

(ii) পদ্মনাথ গোহাঞিঃ বৰুৱা

(iii) অমিয় কুমাৰ দাস

(iv) মাধৱচন্দ্ৰ বেজবৰুৱা

(A) i আৰু ii (B) i, ii আৰু iii

(C) ii আৰু iv (D) i, iii আৰু iv

**12.** তলত নাম দিয়া পুথিকেইখনৰ মাজত প্ৰাক শঙ্কৰী যুগত ৰচিত পুথি ঃ

(i) 'প্ৰহ্লাদ চৰিত্ৰ'

(ii) 'জয়দ্ৰথ বধ'

(iii) 'সাত্যকি প্ৰৱেশ'

(iv) 'উষা পৰিণয়'

(A) i, ii আৰু iv (B) ii, iii আৰু iv

(C) ii আৰু iv (D) i, ii আৰু iii

**13.** তলত দিয়া ভাষাকেইটা সময়ক্ৰমত সজোৱা

(i) সংস্কৃত

(ii) অপভ্ৰংশ

(iii) বৈদিক

(iv) প্ৰাকৃত

(A) i, iii, ii আৰু iv (B) iii, i, iv আৰু ii

(C) iv, i, ii আৰু iii (D) iii, iv, i আৰু ii

14. তলত নাম দিয়া সাহিত্যিকসকলক জ্যেষ্ঠতাৰ ক্ৰমত সজোৱা ঃ

(i) হেমচন্দ্ৰ গোস্বামী

(ii) চন্দ্ৰকুমাৰ আগৰৱালা

(iii) লক্ষ্মীনাথ বেজবৰুৱা

(iv) পদ্মনাথ গোহাঞিবৰুৱা

(A) iii, ii, iv আৰু i (B) i, ii, v আৰু iii

(C) iv, ii, iii আৰু i (D) iii, iv, ii আৰু i

15. তলত নাম দিয়া গ্ৰন্থকেইখনৰ মাজৰ জীৱনী গ্ৰন্থ সমূহ ঃ

(i) 'জীৱন নৈৰ জাঁজি'

(ii) 'জীৱন-বীনৰ সুৰ'

(iii) 'জীৱন-সংঘাত'

(iv) 'জীৱনৰ দীঘ - আৰু বানি

(A) i, iii আৰু iv (B) ii আৰু iv

(C) ii, iii আৰু iv (D) i, ii, iii আৰু iv

16 ৰ পৰা 20 লৈ প্ৰতিটো প্ৰশ্নত এটা মন্তব্য দি, সেই মন্তব্যটোক যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্য্যকাৰণ ব্যাখ্যা কৰি কেইটামান সিদ্ধান্ত দিয়া হৈছে। তাৰে যুক্তিযুক্ত সিদ্ধান্তটো চিহ্নিত কৰা।

16. 'অসমীয়া ভাষাটো তিব্বত-বৰ্মীয় ভাষা-সমুদ্ৰৰ মাজৰ এটা দ্বীপ', এই মন্তব্যৰ পৰা বুজিব পাৰি যে—

(A) অসমত তিব্বত-বৰ্মীয় ভাষাসমূহ আৰু আৰ্য্যভাষা অসমীয়া আছে।

(B) অসমত কেৱল আৰ্য্যভাষাহে আছে।

(C) অসমত কেৱল তিব্বত-বৰ্মীয় ভাষাহে আছে।

(D) অসমত সকলো ভাষাগোষ্ঠীৰ ভাষা আছে।

17. ‘ভাষা এটা জাতিৰ সংস্কৃতিৰ প্ৰধান উপাদান’। এই কথাৰ পৰা সিদ্ধান্ত কৰিব পাৰি যে—

(A) ভাষা মানুহৰ জন্মগত বস্তু।

(B) ভাষা মানুহে পৰিৱেশৰ পৰা আয়ত্ত কৰে।

(C) ভাষা বিদ্যালয়লৈ গৈহে আহৰণ কৰা হয়।

(D) সংস্কৃতি বুলিলে কেৱল ভাষাকহে বুজা যায়।

18. ‘স্বৰৰ দৈৰ্ঘ্য অসমীয়া ভাষাত বিশিষ্ট ধ্বনি নহয়’, এই মন্তব্যৰ পৰা সিদ্ধান্ত কৰিব পাৰি —

(A) অসমীয়া ভাষাৰ উচ্চাৰণত স্বৰৰ হ্ৰস্ব-দীৰ্ঘ পাৰ্থক্য অনুযায়ী অৰ্থ পৰিৱৰ্তিত হয়।

(B) উচ্চাৰণত স্বৰৰ হ্ৰস্ব-দীৰ্ঘ পাৰ্থক্যই অৰ্থৰ পৰিৱৰ্তন সাধন নকৰে।

(C) অসমীয়া ভাষাত দীৰ্ঘস্বৰ আৰু হ্ৰস্বস্বৰ বুজাবলৈ সুকীয়া চিহ্ন (আখৰ) অপৰিহাৰ্য্য।

(D) এই দিশত সংস্কৃত ভাষাৰ সৈতে অসমীয়া ভাষাৰ মিল দেখা যায়।

19. ‘হেমচন্দ্ৰ বৰুৱাই ‘অৰুণোদই’ৰ বৰঘৰত সোমাই লৈ তৎসম, তদ্ভৱ আৰু দেশীৰূপৰ ভাৰসাম্য ৰাখি অসমীয়া শব্দাৱলীৰ বৰ্ণ-বিন্যাস স্থিৰ কৰিবলৈ লাগি গৈছিল।’। ইয়াৰ পৰা সিদ্ধান্ত কৰিব পাৰি যে—

(A) হেমচন্দ্ৰ বৰুৱাই ‘অৰুণোদই’ৰ বৰ্ণবিন্যাস সমৰ্থন কৰিছিল।

(B) ‘অৰুণোদই’ কাকতত তদ্ভৱ, তৎসম আৰু দেশী শব্দৰ ভাৰসাম্য ৰাখি বৰ্ণবিন্যাস স্থিৰ কৰা হৈছিল।

(C) হেমচন্দ্ৰ বৰুৱাই অসমীয়া ভাষাৰ বৰ্ণবিন্যাস পদ্ধতিৰ নতুন ৰূপ স্থিৰ কৰিছিল।

(D) ‘অৰুণোদই’ কাকতৰ বৰ্ণবিন্যাস আৰু হেমচন্দ্ৰ বৰুৱাই স্থিৰ কৰা বৰ্ণবিন্যাসৰ মাজত পাৰ্থক্য দেখা নাযায়।

20. “অসমীয়া ভাষাৰ আটাইতকৈ বেছি সংখ্যাৰ শব্দ হৈছে তদ্ভৱ শব্দ।” ইয়াৰ কাৰণ ঃ

(A) অসমীয়া ভাষাত তৎসম শব্দৰ ব্যৱহাৰ একেবাৰে নাই।

(B) অসমীয়া ভাষা তিব্বত-বৰ্মীয় গোষ্ঠীৰ ভাষাৰ দ্বাৰা পৰিবেষ্ঠিত হৈ আছে।

(C) অসমীয়া ভাষা উত্তৰ পূব ভাৰতত কথিত একমাত্ৰ আৰ্য্যমূলীয় ভাষা।

(D) অসমীয়া ভাষাটো প্ৰধানতঃ প্ৰাচীন ভাৰতীয় আৰ্য্যভাষাৰ পৰা মধ্য ভাৰতীয় আৰ্য্য ভাষাৰ মাজেৰে বিকশিত হৈ আহিছে।

তলৰ 21 ৰ পৰা 30 লৈ দিয়া প্ৰশ্নসমূহত ‘ক’ স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা ‘খ’ স্তম্ভত দিয়া বিষয়সমূহ মিলাই A, B, C, D এই চাৰিটা বিকল্প দেখুৱা হৈছে। তাৰে পৰা শুদ্ধ বিকল্পটো উত্তৰ পত্ৰত চিহ্নিত কৰা।

**21.** **‘ক’ স্তম্ভ** — **‘খ’ স্তম্ভ**

| ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ | |
|---|---|---|---|
| (a) | জয়ন্তীয়া | (1) | ছমাংকান |
| (b) | কাৰ্বি | (2) | বায়খো |
| (c) | গাৰো | (3) | প’লকুট |
| (d) | ৰাভা | (4) | ৰাংগালা |
| | | (5) | বেদেইন খ্লাম |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | 3 | 5 | 2 | 1 |
| (B) | 1 | 2 | 3 | 4 |
| (C) | 5 | 1 | 4 | 2 |
| (D) | 2 | 1 | 4 | 5 |

**22.** **‘ক’ স্তম্ভ** — **‘খ’ স্তম্ভ**

| ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ | |
|---|---|---|---|
| (a) | নাচনি | (1) | সাতখনপীয়া সিংহাসন |
| (b) | ফাল | (2) | ঢেঁকিশাল |
| (c) | আমহী ঘৰ | (3) | কহঁাৰ শাল |
| (d) | নিয়াৰি | (4) | নাঙল |
| | | (5) | তাতঁ শাল |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | 5 | 4 | 1 | 3 |
| (B) | 5 | 4 | 3 | 2 |
| (C) | 2 | 1 | 4 | 3 |
| (D) | 3 | 5 | 4 | 1 |

23. 'ক' স্তম্ভ 'খ' স্তম্ভ

| | | | |
|---|---|---|---|
| (a) | মালিনী থান | (1) | হাজো |
| (b) | শ্ৰীসূৰ্য্য পাহাৰ | (2) | শিৱসাগৰ |
| (c) | পোৱা মক্কা | (3) | গোৱালপাৰা |
| (d) | দ-পৰ্বতীয়া তোৰণ | (4) | চিলাপথাৰ |
| | | (5) | তেজপুৰ |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | 1 | 2 | 3 | 4 |
| (B) | 4 | 3 | 1 | 5 |
| (C) | 2 | 4 | 5 | 3 |
| (D) | 3 | 1 | 2 | 4 |

24. 'ক' স্তম্ভ 'খ' স্তম্ভ

| | | | |
|---|---|---|---|
| (a) | 'মোহদানন্দ কন্দ পৰমানন্দ নন্দ নন্দন বনচাৰী।' | (1) | উপমা |
| (b) | 'মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে সেউজীয়া বননিৰ বৰণেৰে ঢকা'। | (2) | বায়খো |
| (c) | 'জনপূৰ্ণ নিৰ্জনত অকলশৰীয়া।' | (3) | বিৰোধাভাস |
| (d) | 'পৰ্বতীয়া জুৰিটিৰ জিৰজিৰনিত শুনো যেন বিননিৰ সুৰ।' | (4) | শ্লেষ |
| | | (5) | উৎপ্ৰেক্ষা |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | 4 | 5 | 3 | 2 |
| (B) | 3 | 4 | 2 | 5 |
| (C) | 2 | 1 | 3 | 5 |
| (D) | 1 | 2 | 3 | 4 |

25. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ | |
|---|---|---|---|
| (a) | ধ্বনিবাদ | (1) | দণ্ডী |
| (b) | উৎপত্তিবাদ | (2) | কুন্তক |
| (c) | বক্রোক্তিবাদ | (3) | ভট্টলোল্লট |
| (d) | ৰীতিবাদ | (4) | আনন্দবৰ্ধন |
| | | (5) | বামন |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | 5 | 1 | 2 | 3 |
| (B) | 2 | 4 | 1 | 5 |
| (C) | 1 | 3 | 4 | 2 |
| (D) | 4 | 3 | 2 | 5 |

26.

| ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ | |
|---|---|---|---|
| (a) | কোনো কাব্যৰ ৰচকে আধ্যাৰ সমাৰণিত কৰা নিজৰ নামৰ উল্লেখ | (1) | দুলড়ী |
| (b) | কোনো ৰচনাৰ হাস্যোদ্দীপক বা ব্যঙ্গাত্মক অনুকৃতি | (2) | ঝুনা |
| (c) | ছন্দবিশেষ; ইয়াৰ অন্য নাম ত্ৰিপদী | (3) | ভণিতা |
| (d) | চাৰি চৰণ-যুক্ত ছন্দবিশেষ। প্ৰত্যেক চৰণত আঠোটাকৈ আখৰ থাকে। | (4) | পেৰডী |
| | | (5) | ঝুমুৰী |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | 2 | 1 | 3 | 4 |
| (B) | 4 | 5 | 3 | 2 |
| (C) | 3 | 4 | 1 | 5 |
| (D) | 1 | 2 | 3 | 4 |

27. ‘ক’ স্তম্ভ — ‘খ’ স্তম্ভ

| | ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|---|
| (a) | ‘Comparative Literature’ | (1) | ৰবীন্দ্ৰনাথ ঠাকুৰ |
| (b) | ‘অনুবাদৰ কথা’ | (2) | কৃষ্ণকান্ত সন্দিকৈ |
| (c) | বিশ্বসাহিত্য | (3) | মেথিউ আৰ্নল্ড |
| (d) | The Idea of Comparative Literature | (4) | শিশিৰ কুমাৰ দাস |
| | | (5) | অমিয় দেৱ |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | 1 | 2 | 3 | 4 |
| (B) | 3 | 2 | 1 | 5 |
| (C) | 2 | 5 | 4 | 1 |
| (D) | 5 | 1 | 2 | 3 |

28. ‘ক’ স্তম্ভ — ‘খ’ স্তম্ভ

| | ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|---|
| (a) | কানখোৱা | (1) | দৈত্যাৰি ঠাকুৰ |
| (b) | শকুন্তলা কব্য | (2) | শ্ৰীধৰ কন্দলি |
| (c) | নৃসিংহ যত্ৰো | (3) | ৰঘুনাথ মহন্ত |
| (d) | কথা ৰামায়ন | (4) | শ্ৰীধৰ কন্দলি |
| | | (5) | কবিৰাজ চক্ৰবৰ্ত্তী |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | 2 | 3 | 4 | 5 |
| (B) | 5 | 4 | 1 | 2 |
| (C) | 2 | 5 | 1 | 3 |
| (D) | 1 | 2 | 4 | 5 |

29. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | | | |
|---|---|---|---|
| (a) | ‘ইয়াৰুইঙ্গম’ | (1) | 1945 |
| (b) | ‘আজিৰ মানুহ’ | (2) | 1960 |
| (c) | ‘জীৱনৰ বাটত’ | (3) | 1958 |
| (d) | ‘ডাৱৰ আৰু নাই’ | (4) | 1952 |
| | | (5) | 1955 |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | 1 | 2 | 3 | 4 |
| (B) | 2 | 4 | 1 | 5 |
| (C) | 1 | 4 | 3 | 5 |
| (D) | 4 | 3 | 1 | 2 |

30. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | | | |
|---|---|---|---|
| (a) | চেতনাপ্ৰৱাহ | (1) | টি. এচ. ইলিয়ট |
| (b) | অস্তিত্ববাদ | (2) | ৱৰ্ডছ্ৱৰ্থ |
| (c) | ৰমন্যাসবাদ | (3) | উইলিয়াম জেমছ |
| (d) | প্ৰতীকবাদ | (4) | জাঁ পল ছাৰ্ত্ৰে |
| | | (5) | ফ্ৰয়েড |

| | *(a)* | *(b)* | *(c)* | *(d)* |
|---|---|---|---|---|
| (A) | 1 | 2 | 3 | 4 |
| (B) | 2 | 5 | 4 | 3 |
| (C) | 4 | 3 | 2 | 1 |
| (D) | 3 | 4 | 2 | 1 |

ত লৰ 31 ৰ পৰা 45 লৈ প্ৰতিটো প্ৰশ্নৰ তলত A, B, C, D এই চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে। তাৰে পৰা শুদ্ধ উত্তৰটো বাছি উলিয়াই উত্তৰ-পত্ৰত চিহ্নিত কৰা।

**31.** ‘সুমালিনী ধাই’ চৰিত্ৰটো কোন খন পুথিত পোৱা যায়?

(A) কুমাৰ হৰণ (B) ঊষা পৰিণয়

(C) ৰুক্মিনী হৰণ (D) ৰাজসূয় কাব্য

**32.** ‘খুটিংলা’ চৰিত্ৰটো কোনজন লেখকৰ সৃষ্টি?

(A) বীণা বৰুৱা (B) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য

(C) পদ্ম বৰকটকী (D) মেদিনী চৌধুৰী

**33.** ‘কুটুমেই ৰান্ধে, কুটুমেই বাঢ়ে, কুটুমে কটুমক খায়।’ — এই কবিতাংশ কাৰ ৰচনা?

(A) আনন্দ চন্দ্ৰ আগৰৱালা (B) হেমচন্দ্ৰ গোস্বামী

(C) চন্দ্ৰ কুমাৰ আগৰৱালা (D) যতীন্দ্ৰ নাথ দুৱৰা

**34.** তলৰ কোনখন পুথিৰ বাবে অসমীয়া সাহিত্যলৈ প্ৰথম সাহিত্য একাদেমি বঁটা আগবঢ়োৱা হৈছিল?

(A) মিলন সুৰ (B) আপোন সুৰ

(C) বনফুল (D) ওমৰ তীৰ্থ

**35.** তলৰ কোনখন কিতাপৰ লেখক বাণীকান্ত কাকতি?

(A) ‘পুৰণি অসমত ভুমুকি’ (B) ‘পুৰনি অসমীয়া সমাজ আৰু সংস্কৃতি

(C) ‘পুৰনি অসমীয়া সাহিত্য’ (D) ‘পুৰনি কামৰূপৰ ধৰ্মৰ ধাৰা’

**36.** তলৰ কোনখন অনূদিত গ্ৰন্থ নহয়?

(A) ‘মোৰ সত্য অন্বেষণৰ কাহিনী’ (B) ‘দীনদুখী’

(C) ‘পিতা-পুত্ৰ’ (D) ‘বিগলিত কৰুনা জাহ্নবী যমুনা’

37. বাৰেচহৰীয়া ভাওনা অনুষ্ঠিত হোৱা ঠাইখনৰ নাম কি?

(A) পুৰনি গুদাম (B) জামুগুৰি হাট

(C) মৰিগাঁও (D) বৰদোৱা

38. 'মোৰে জীৱনৰে সখা কৃষ্ণ, বজাৱ কি সুৰে বেণু'— এই গীতটি জ্যোতিপ্ৰসাদ আগৰৱালাৰ কোনখন নাটকত আছে?

(A) 'শোণিত কুঁৱৰী' (B) 'ৰূপালীম'

(C) 'কাৰেঙৰ লিগিৰী (D) 'নিমাতী কইনা'

39. পা-ফু চিৰিজৰ লেখক কোন?

(A) সত্যৰঞ্জন কলিতা (B) ৰঞ্জু হাজৰিকা

(C) ৰংমন (D) প্ৰেম নাৰায়ন দত্ত

40. 'লাই পুলি লৰাই ৰুলোঁ, লৰাই ৰুলোঁ লফা'— এই পদ্যফাঁকি তলত নাম দিয়া কোনবিধৰ উদাহৰণ?

(A) মাঁথৰ (B) জিভা কেঁকুৰি

(C) টেঁটকুটি (D) পটন্তৰ

41. দিলবৰ-দোসাই কোনখন পুথিৰ চিত্ৰাঙ্কন-কাৰ্য্যৰ সৈতে জড়িত আছিল?

(A) 'ঘোৰা নিদান' (B) 'হস্তিবিদ্যাৰ্নৱ- সাৰ সংগ্ৰহ'

(C) 'চিত্ৰ ভাগৱত' (D) 'শঙ্খচূড় বধ'

42. 'মৃচ্ছকটিকম' নাটকখন কোনে ৰচনা কৰিছিল?

(A) কালিদাস (B) ভৱভূতি

(C) শূদ্ৰক (D) ভাস

43. 'সাহিত্যদৰ্পণ' গ্ৰন্থৰ লেখক কোন?

(A) কৌটিল্য (B) ভৰ্তৃহৰি

(C) বিশ্বনাথ কৱিৰাজ (D) নাগোজী ভট্ট

44. "If winter comes, can spring be far behind ?" এই কবিতাংশ কোনটো ইংৰাজী কৰিতাৰ অন্তৰ্গত।

(A) The Preludes (B) Ode to a Nightingale

(C) The Cuckoo (D) Ode to the west wind

45. তলৰ কোনখন নাটকৰ ৰচয়িতা জৰ্জ বাৰ্নাড শ্ব?

(A) Candida (B) The Pillars of the Society

(C) The Taming of the Shrew (D) Waiting for Godot

নিম্ন লিখিত কথাখিনি মনযোগেৰে পঢ়ি তাৰ তলত দিয়া 46 ৰ পৰা 50 লৈ প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ A, B, C আৰু D ৰ মাজৰ পৰা বাছি উলিওৱা।

মানুহ যেতিয়া সঙ্কুল অৱস্থাত আহি পৰে তেতিয়া আশা ভৰসা, ভাৱ, বাসনা, সুখ, দুখৰ স্মৃতি বা কাল্পনিক ভৰিষ্যত, যিবোৰ সূক্ষ্ম প্ৰভাৱ লগ লাগি জীৱন-প্ৰৱাহত পৰিণত হয়, অৱস্থাৰ বিপৰ্যয় অনুসাৰে সেই সকলোবোৰ নিশাৰ সপোনৰ দৰে উৰি যায়, তেতিয়া মানুহৰ পক্ষে কেৱল দুটা বাট মুকলি হৈ থাকে। হয় তেওঁ অসহ্য তীব্ৰ যাতনাত মৰি যায়, নহয় সকলো দুখ-শোক হৃদয়ত বান্ধি থৈ প্ৰশান্তভাৱে নতুন কৰ্তব্য-পথত নিমগ্ন হয়। কিন্তু বুকু-ভৰা শোকৰ পৰিমাণ আনে দূৰৰ কথা নিজেই ক'ব নোৱাৰে। তেতিয়া অনেকে যি যি কাৰণৰ নিমিত্তে বৰ্তমান দুৰৱস্থা হৈছে, সেই কাৰণবোৰ নাথাকিলে কি অৱস্থা হ'লহেঁতেন, সেই দুখৰ ছবি কল্পনা কৰে, নাইবা ইহ জনমত যি নোপোৱাৰ কাৰণে জীৱন ব্যৰ্থ হৈ গ'ল, পৰজনমত সেই বস্তুকে পাম বুলি সুখৰ কাল্পনিক ছবি মনত আঁকি মনক সান্ত্বনা দিবৰ চেষ্টা কৰে। কিন্তু সেই কাল্পনিক সুখৰ ছবিৰ পোহৰে কেৱল বৰ্তমানৰ বাস্তৱ নিষ্ঠুৰতা শতগুণে বঢ়াই দিয়ে। বৰ্তমানৰ যন্ত্ৰণা অসহ্য নহয় মানে কোনেও ভৰিষ্যত কাল্পনিক সুখৰ ছবিত আত্মবিস্মৃত হ'ব নোখোজে। এইবোৰ ভৰিষ্যত সুখৰ মৰীচিকাই কেৱল আৰ্চিৰ দৰেই বৰ্তমানৰ বিষম যন্ত্ৰণাক দেখুৱাইহে দিয়ে। সীতাৰ যে মনত কিমান বিষাদ, আৰু তেওঁ নিজেই কল্পনা কৰিব নোৱাৰে, ভাষাৰে বৰ্ণাৰ নোৱাৰে। কেৱলমাত্ৰ "পুনৰায় যেন তোমাকে পতিৰূপে পাওঁ, কিন্তু বিৰহ যেন আৰু নাথাকে"— "বিৰহ নাথাকে" এই কথাবাৰেই তেওঁৰ মনৰ সকলো যন্ত্ৰণাৰ পৰিচয় দিছে। তেওঁৰ সকলো শোকৰ মূল এই বিৰহেই। বিৰহ-বিহীন ৰামৰ সঙ্গেই তেওঁৰ জীৱনৰ কেন্দ্ৰ।

সংযত শোক সংযত ভাষাৰে অথচ গভীৰ বেদনাসূচক কৰি প্ৰকাশ কৰিবলৈ প্ৰায়ে মহাকবিসকলহে সমৰ্থ আৰু সচৰাচৰ সংযত শোক ভাষাৰে প্ৰকাশ কৰা নহয়। প্ৰকৃত পক্ষে, শব্দই সকলো বিষয়ত সম্পূৰ্ণ মনোভাৱ প্ৰকাশ কৰিব নোৱাৰে। শব্দ জ্ঞানগম্য, ভাব হৃদয়গম্য আৰু গভীৰ ভাৱবোৰ অনাদি অনন্ত। সংসাৰৰ ঘাত-প্ৰতিঘাতত সাগৰৰ ঢৌৰ নিচিনাকৈই নানাৰূপে খেলা কৰি থাকে। সেই দেখি মহাকবিসকলে দৈৱশক্তিৰ দ্বাৰা মানৱ হৃদয়ৰ তত্ত্ববোৰ জানি লৈ, সেইবোৰ শোকৰ খুন্দাত যি যি ভাব ব্যক্ত হয়, সেই সেই ভাব প্ৰকাশ কৰে।

46. মানুহৰ জীৱনলৈ সঙ্কট অৱস্থা আহি পৰিলে—

(A) মানুহৰ ধৈৰ্য্যচ্যুতি ঘটে।

(B) তীব্ৰ মনোকষ্টত মানুহে ছাটিফুটি কৰি উঠে।

(C) মানুহৰ জীৱন-প্ৰৱাহৰ সূক্ষ্ম প্ৰভাৱবোৰ অন্তৰ্হিত হয়।

(D) কাল্পনিক ভৱিষ্যতৰ চিন্তাত মানুহৰ মন ব্যথিত হয়।

47. মানুহৰ জীৱনৰ সঙ্কট অৱস্থাৰ পৰা উদ্ধাৰ পোৱাৰ বাট দুটি; সেই দুটি হ'ল—

(A) আশা-ভৰসা অথবা সুখ-দুখ।

(B) বিপৰ্য্যয় অথবা অন্তহীন সপোন।

(C) বাসনা অথবা কামনা।

(D) তীব্ৰ যাতনাত জীৱন নিপাত অথবা নতুন কৰ্ত্তব্য পথত জীৱন নিমগ্ন।

48. মনোহৰ বুকুভৰা শোকৰ কথা আনেতো বুজিব নোৱাৰই - নিজেও কব নোৱাৰে। তেনেক্ষত্ৰত অনেকেই -

(A) সুখৰ কাল্পনিক ছবি আঁকি মনক সান্ত্বনা দিবৰ চেষ্টা কৰে।

(B) শোকৰ মাত্ৰা বুজিবলৈ আলৰ সহায় লয়।

(C) শোকৰ উপলব্ধি কৰিবলৈ নিজে নিজে যত্ন কৰে।

(D) শোকত ম্ৰিয়মান হৈ আত্মজাহ দিবলৈ যত্ন কৰে।

49. 'পুনৰায় যেন তোমাকে পতিৰূপে পাওঁ; কিন্তু বিৰহ যেন নাথাকে।' এই উক্তিৰ দ্বাৰা ঃ

(A) বক্তাৰ মনৰ তীব্ৰ যন্ত্ৰনাকাতৰ অৱস্থাৰ কথা বুজিব পাৰি।

(B) বক্তাই পতিৰ অবিচ্ছিন্ন সান্নিধ্য কামনা কৰিছে।

(C) বক্তাই বাৰে বাৰে পতিৰ সঙ্গ কামনা কৰিছে।

(D) বক্তাই বিৰহ আৰু মিলন দুয়োটাকে কামনা কৰিছে।

50. মহাকবিসকলে সংযত শোকৰ প্ৰকাশ কৰে — ভাবৰ সহায়েৰে কাৰণ ঃ

(A) শোকাৱস্থাত কবিয়ে শব্দ বিচাৰি নাপায়।

(B) শব্দই সকলো সময়ত সকলো ভাব প্ৰকাশ কৰিবলৈ অসমৰ্থ।

(C) শব্দই সকলোকে সমানে আকৰ্ষন কৰিব নোৱাৰে।

(D) ভাব প্ৰকাশ কৰিবলৈ বহুতো উপায় আছে।

- o O o -

**Space For Rough Work**